**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-APR-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। লোকসভাত দুই তৃতীয়াংশ সংখ্যা গৰিষ্ঠতা লাভত ব্যৰ্থ ১৩১ সংখ্যক সংবিধান সংশোধনী বিধেয়ক।

২। সাদিনীয়া ৰঙালী বিহুৰ আজি নাঙল বিহু।

৩। শ্ৰীশ্ৰী দামোদৰদেৱৰ ৪২৮ সংখ্যক তিৰোভাৱ তিথি ৰাজ্যজুৰি পালন।

৪। আজিৰে পৰা চলিত বৰ্ষৰ হজযাত্ৰা আৰম্ভ। উত্তৰ-পূৰ্বাঞ্চলৰ মুঠ দুহেজাৰ ৫৬৯ গৰাকী যাত্ৰী হজযাত্ৰাৰ কাৰণে সাজু। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে গুজৰাট টাইটানছৰ ৫ উইকেটত জয়লাভ।

০০০০০০

লোকসভা আৰু বিধানসভাত এক তৃতীয়াংশ মহিলা সংৰক্ষণ কাৰ্যকৰী কৰাৰ উদ্দেশ্যেৰে গ্ৰহণ কৰা ১৩১ সংখ্যক সংশোধনী বিধেয়ক ২০২৬খনে নিম্ন সদনত অনুমোদন লাভ কৰাত ব্যৰ্থ হয়। প্ৰস্তাৱিত এই সংশোধনী বিধেয়ক গৃহীত কৰাৰ জড়িয়তে মহিলাৰ বাবে আসন সংৰক্ষণৰ লগতে সমষ্টি পুনৰ নিৰ্ধাৰণক লৈ লোকসভাত উত্তপ্ত আলোচনাৰ পাছত কালি সদনত ভোটগ্ৰহণ অনুষ্ঠিত কৰা হৈছিল। ৫২৮ গৰাকী সাংসদে এই প্ৰক্ৰিয়াত ভাগ লৈ যদিও শাসকীয় পক্ষই বিধেয়কখন গৃহীত কৰাৰ বাবে প্ৰয়োজনীয় দুই-তৃতীয়াংশ সংখ্যা গৰিষ্ঠতা লাভ কৰাত ব্যাৰ্থ হয়। ভোটদান কৰা সাংসদসকলৰ ভিতৰত ২৯৮ গৰাকীয়ে বিধেয়কৰ সপক্ষে ভোট দিয়াৰ বিপৰীতে ২৩০ গৰাকী সাংসদে ইয়াৰ বিৰুদ্ধে ভোটদান কৰে। উল্লেখযোগ্য যে নিম্ন সদনত সংবিধান সংশোধনী বিধেয়ক গৃহীত হবলৈ দুই-তৃতীয়াংশ সদস্যৰ সমৰ্থনৰ প্ৰয়োজন হয়। এই সদস্যৰ থূল সৃষ্টি হবলৈ হলে ৫২৮ জনৰ ভিতৰত ৩৫২ জন সদস্যৰ সমৰ্থনৰ প্ৰয়োজন আছিল। সেয়েহে সংশোধনী বিধেয়কখন ৫২ টা ভোটত অগ্ৰাহ্য হয়। উল্লেখযোগ্য যে এই বিধেয়কৰ জৰিয়তে লোকসভাৰ আসনৰ সংখ্যা ৮৫০ খনলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰা হৈছিল। ইয়াৰে ৮১৫ খন ৰাজ্যসমূহত আৰু বাকী ৩৫ খন কেন্দ্ৰীয় শাসিত অঞ্চল সমূহৰ কাৰণে প্ৰস্তাৱ কৰা হৈছিল। শাসকীয় দলে এই তিনিদিনীয়া বিশেষ অধিৱেশনত মহিলা সংৰক্ষণৰ সংশোধনী বিধেয়কৰ লগতে এনে ধৰণৰ তিনিখন আনুসংগিক বিধেয়কো উত্থাপন কৰিছিল। ইয়াৰ প্ৰথমখন বিধেয়ক অগ্ৰাহ্য হোৱাৰ পাছত আন দুখন বিধেয়ক ভোটৰ বাবে উত্থাপন কৰা নহল। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে, সমষ্টি পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬ আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশ (সংশোধনী) বিধেয়ক ২০২৬ সংবিধান সংশোদনী বিধেয়ক ১৩১ৰ সৈতে জৰিত আছিল কাৰণে এই দুখন বিধেয়ক গৃহীত কৰাৰ বাবে উত্থাপন কৰা নহল।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ভোটদানৰ ফলাফল ঘোষণা কৰি কয় যে এই আইনখন গৃহীত কৰাৰ বাবে প্ৰয়োজনীয় সংখ্যাগৰিষ্ঠতা লাভ কৰাত ব্যৰ্থ হোৱাৰ বাবে আইনখন আগুৱাই লৈ যোৱাটো সম্ভৱ নহল।

আজি দিনৰ ১১ বজালৈ সদন স্থগিত ৰখা হৈছে।

০০০০০০

সাদিনীয়া ৰঙালী বিহুৰ আজি পঞ্চম দিনটো ৰাজ্যত নাঙল বিহুৰূপে পালন কৰা হৈছে। পৰম্পৰা অনুসৰি ৪ ব'হাগত এই নাঙল বিহু উপলক্ষে খেতিয়কসকলে পথাৰত হাল বোৱাৰ পূৰ্বে কৃষি সঁজুলিসমূহৰ প্ৰতি সন্মান জনাই এই উৎসৱ পালন কৰে। কৃষিজীৱি অসমীয়াৰ জীৱনত এই বিহু বিশেষ গুৰুত্ব আছে।

বাক্সা জিলাত কৃষকসকলে পালন কৰা নাঙল বিহু সন্দৰ্ভত আমাৰ জিলাখনৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয়—

**ভইচকাষ্ট (দামোদৰ তালুকদাৰ)**

ইফালে ৰঙালী বিহু উপলক্ষে ৰাজ্যৰ ঠায়ে ঠায়ে অনুষ্ঠিত মঞ্চ বিহুৰ সাংস্কৃতিক কাৰ্যসূচীত কালি ভালেসংখ্যক শিল্পীয়ে বৰ্ণাঢ্য অনুষ্ঠান পৰিৱেশন কৰে। লতাশিলৰ ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে কালি আয়োজন কৰা বিহু সম্ৰাজ্ঞী ২০২৬ প্ৰতিযোগিতাত গুৱাহাটীৰ সংগীতা ৰাভাই মুঠ ৬ গৰাকী প্ৰতিযোগীৰ মাজৰ পৰা বিহু সম্ৰাজ্ঞীৰ খিতাপ অৰ্জন কৰে। বিহু সন্মিলনীয়ে লগতে সংগীতা ৰাভাক নগদ ধন, ৰূপৰ মুকুট, সোণৰ মুদ্ৰাকে ধৰি বিভিন্ন উপহাৰ সামগ্ৰীও আগবঢ়ায়। এই আকৰ্ষণীয় বিহু সম্ৰাজ্ঞী প্ৰতিযোগিতা সন্দৰ্ভত বিহু সন্মিলনীৰ বিষয়ববীয়া গায়ত্ৰী ডেকাই এইদৰে কয়—

**বাইট (গায়ত্ৰী ডেকা)**

গুৱাহাটী বিহু সন্মিলনীয়ে আয়োজন কৰা এই প্ৰতিযোগিতাত লখিমপুৰৰ বৰষা বুঢ়াগোহাঁইয়ে বিহুৰাণী আৰু গোলাঘাটৰ কৃষ্ণ হাতীবৰুৱাই বিহু কুঁৱৰীৰ খিতাপ লাভ কৰে। লাচিত গগৈয়ে শ্ৰেষ্ঠ ঢুলীয়া আৰু গোবিন চন্দ্ৰ গগৈয়ে শ্ৰেষ্ঠ পেঁপা বাদকৰ খিতাপ লাভ কৰে।

বাক্সা জিলাৰ জালাহ দংপাৰ যুৱ সংঘৰ উদ্যোগত আয়োজন কৰা ৰঙালী বিহু উদযাপনৰ কালি সামৰণি পৰে। দিনৰ ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, জুবিন গাৰ্গৰ প্ৰতিকৃতিত মাল্যাৰ্পণ, বৃক্ষ ৰোপণ আৰু খেল-ধেমালি তথা সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পাছত নিশাৰ ভাগত কেইবাটাও বিহু দলে মঞ্চত বিহু পৰিৱেশন কৰে। এই সন্দৰ্ভত জালাহ দংপাৰ যুৱ সংঘৰ সম্পাদক দ্বীপজ্যোতি দাসে আমাৰ সংবাদদাতাক এইদৰে জনায়—

**বাইট (দ্বীপজ্যোতি দাস)**

বামুন্দীৰ তৰুণ সংঘ আৰু পুথিভঁৰালৰ সৌজন্যত অনুষ্ঠিত বামুন্দী বিহু সন্মিলনৰ শতবৰ্ষৰ ৰঙালী বিহু উদযাপনৰ কালি সামৰণি পৰে। সামৰণিৰ অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই অংশগ্ৰহণ কৰি সকলোৱে মিলি জাতীয় জীৱনক আগুৱাই লৈ যাবলৈ আহ্বান জনায়। লোক সংস্কৃতিৰ ধাৰা ধৰি ৰাখি ৰাজ্যখনত এটা পৰিকল্পিত সাংস্কৃতিক নৱজাগৰণৰ প্ৰয়োজন হৈছে বুলিও ড০ ভট্টাচাৰ্যই মন্তব্য কৰে। ইফালে একে অনুষ্ঠানতে সাহিত্যিক বেদব্ৰত দেৱ মিশ্ৰই সংস্কৃতিৰ ৰহঘৰা শীৰ্ষক এখন স্মৃতি গ্ৰন্থ মুকলি কৰি বিহু জীৱনৰ এক মূল্যবোধ বুলি অভিহিত কৰে।

০০০০০০

শ্ৰীশ্ৰী দামোদৰদেৱৰ আজি ৪২৮ সংখ্যক পবিত্ৰ তিৰোভাৱ তিথি ৰাজ্যজুৰি পালন কৰা হৈছে। পাটবাউসী সত্ৰৰ প্ৰতিষ্ঠাপক তথা একশৰণ নামধৰ্মৰ প্ৰচাৰক শ্ৰীশ্ৰী দামোদৰদেৱৰ তিৰোভাৱ তিথি উদ্দেশ্যে আজি পুৱাৰে পৰা দামোদৰদেৱৰ শিষ্যসকলে কৰভাৰ লৈ সত্ৰখনত ভিৰ কৰিছে। এই সন্দৰ্ভত আমাৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই এইদৰে কয়—

**ভইচকাষ্ট (অৰূপজ্যোতি মহন্ত)**

শ্ৰীশ্ৰী দামোদৰদেৱৰ তিৰোভাৱ তিথি উপলক্ষে গোৱালপাৰাৰ ভালুকডুবিত থকা দামোদৰ সেৱাশ্ৰমত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰা সেৱাশ্ৰমত কালি চাফাই অভিযান, ধৰ্মধ্বজা উত্তোলন, বৃক্ষ ৰোপণ, বন্তি প্ৰজ্বলন, সন্ধিয়াৰ প্ৰসংগ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজি পুৱাৰে পৰা আইসকলে নাম-

প্ৰসংগৰে সেৱাশ্ৰম চৌহদ মুখৰ কৰি তোলে। কাইলৈ ধৰ্মীয় সভাৰ জৰিয়তে কাৰ্যসূচীৰ অন্ত পৰিব। ইফালে কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়া চৌধুৰীপাৰাৰ শ্ৰীশ্ৰী পোৱাভিঠা সত্ৰতো আজি শ্ৰীশ্ৰী দামোদৰদেৱৰ তিথি পালন কৰা হৈছে। তিথিৰ লগত সংগতি ৰাখি কালি সন্ধিয়া নাম-প্ৰসংগৰে মণিকূটৰ পৰা বিগ্ৰহ সভাঘৰলৈ অনাৰ পাছত নিশাৰ ভাগৱত পাঠ অনুষ্ঠিত হয়।

০০০০০০

সমগ্ৰ বিশ্বতে আজি বিশ্ব ঐতিহ্য দিৱস পালন কৰা হৈছে। এই দিনটো কীৰ্তি চিহ্ন আৰু ঐতিহ্যময় স্থানসমূহৰ দিন হিচাপেও জনা যায়। সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্য সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যেৰে পালন কৰা এই দিৱসৰ চলিত বৰ্ষৰ মূল বিষয় হৈছে- **সংঘাত আৰু দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত ঐতিহ্যসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত জৰুৰীকালীন সঁহাৰি**।

বিশ্ব ঐতিহ্য দিৱস উপলক্ষে ভাৰতৰ পুৰাতত্ব জৰীপ বিভাগে ইয়াৰ অধীনৰ দেশৰ বিভিন্ন প্ৰান্তৰ কীৰ্তি চিহ্ন তথা স্থানসমূহ দৰ্শনৰ বাবে জনসাধাৰণৰ প্ৰৱেশ বিনামূলীয়া কৰিছে। উল্লেখযোগ্য যে, ভাৰতত ইউনেস্কোৰ স্বীকৃতি প্ৰাপ্ত ৪৪ খনতকৈও অধিক বিশ্ব ঐতিহ্য ক্ষেত্ৰ আছে। ইয়াৰে তিনিখন ঐতিহ্য ক্ষেত্ৰ আমাৰ ৰাজ্যত অৱস্থিত।

বিশ্বৰ সাংস্কৃতিক আৰু প্ৰাকৃতিক ঐতিহ্যসমূহৰ সুৰক্ষা তথা সেইসমূহৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে প্ৰতি বছৰে ১৮ এপ্ৰিলৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত ১৯৮৩ চনত আগ্ৰা কিলাৰ অন্তৰ্ভুক্তিৰ পাছত তাজমহল, অজন্তা আৰু ইলোৰা গুহাৰ অন্তৰ্ভুক্তিৰে আৰম্ভ হোৱা ভাৰতৰ যাত্ৰাত অসমৰ চৰাইদেউ মৈদাম ক্ষেত্ৰ শেহতীয়া সংযোজন।

০০০০০০

চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ ৰুণীখাতাত জিলাখনৰ সংৰক্ষিত বনাঞ্চলৰ কাৰ্যালয়ত অপ্ৰীতিকৰ ঘটনা সংঘটিত কৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মোহন লাল মীনাই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৰুণীখাতাৰ সংৰক্ষিত বনাঞ্চলৰ ভূমি দখল কৰাৰ অভিযোগত বন বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে কেইবাজনো লোকক আটক কৰি অনা ঘটনাৰ পৰিপ্ৰেক্ষিতত কালি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। আটকাধীন লোকসকলক মোকলাই দিয়াৰ দাবীৰে একাংশ লোক বন বিভাগৰ কাৰ্যালয়ত সমবেত হৈছিল। পৰৱৰ্তী সময়ত স্থানীয় লোকসকলে কাৰ্যালয়ৰ সন্মুখতে প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ অনুসৰি বন বিভাগৰ লোকে প্ৰতিবাদ নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰোতে কেইবাগৰাকীও প্ৰতিবাদকাৰী মহিলা কম-বেছি পৰিমাণে আহত হয়। ইয়াৰ পাছতে প্ৰতিবাদকাৰীসকল অধিক উত্তেজিত হৈ পৰে। পৰৱৰ্তী সময়ত উত্তেজিত জনতাই কাৰ্যালয়ৰ চৰকাৰী বাহনৰ লগতে কৰ্মচাৰীৰ বাহনতো অগ্নিসংযোগ কৰে। প্ৰতিবাদকাৰীসকল ইয়াতেই ক্ষান্ত নাথাকি ১২৭ নম্বৰ ভাৰত-ভূটান সংযোগী ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। ঘটনা সংঘটিত হোৱাৰ পাছতে উক্ত স্থানত অতিৰিক্ত আৰক্ষী বাহিনী মোতায়েন কৰা হয়। পৰৱৰ্তী সময়ত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কন্দুৱা গেছ ব্যৱহাৰ কৰিব লগা হয়। আমাৰ সংবাদদাতাই জনোৱা মতে পৰিস্থিতি সম্প্ৰতি নিয়ন্ত্ৰণত আছে। আইন-শৃংখলা পৰিস্থিতি যাতে অধিক অৱনতি নহয় তাৰ বাবে চিৰাং আৰু কোকৰাঝাৰ জিলাত ইণ্টাৰনেট সেৱা কৰ্তন কৰা হৈছে। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত মুখ্য সচিব অজয় তেৱাৰী এক নিৰ্দেশযোগে দুয়োখন জিলাৰ ইণ্টাৰনেট সেৱা কৰ্তন কৰাৰ নিৰ্দেশ জাৰি কৰিছে।

০০০০০০

চলিত বৰ্ষৰ হজযাত্ৰা আজিৰে পৰা আৰম্ভ হৈছে। উত্তৰ-পূব হজযাত্ৰা অভ্যৰ্থনা সমিতিয়ে জানিবলৈ দিয়া অনুযায়ী অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ মুঠ দুহেজাৰ ৫৬৯ গৰাকী যাত্ৰীয়ে এইবাৰ হজযাত্ৰাৰ কাৰণে সাজু হৈছে। ইয়াৰ ভিতৰত এহেজাৰ ৭৬৩ গৰাকী পুৰুষ আৰু ৮০৬ গৰাকী মহিলা হজযাত্ৰী আছে। উত্তৰ-পূব হজযাত্ৰী অভ্যৰ্থনা

সমিতিৰ সভাপতি নেকিবুৰ জামানে জানিবলৈ দিয়া অনুযায়ী আজিৰে পৰা ২১ এপ্ৰিললৈ পৰ্যায়ক্ৰমে এইসকল যাত্ৰী মক্কা আৰু মদিনালৈ যাব। হজযাত্ৰীসকলৰ ভিতৰত ৬৬৮ গৰাকী কলকাতা বিমান বন্দৰ, ২১৮ গৰাকী মুম্বাই আৰু ২৮ গৰাকী দিল্লী বিমান বন্দৰৰ পৰা ৰাওনা হ'ব। ৮ গৰাকী বাংগালুৰু, দুগৰাকী লক্ষ্ণৌ, এগৰাকী হায়দৰাবাদ আৰু বাকীসকলে গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰৰ পৰা হজ যাত্ৰা কৰিব। হজযাত্ৰীসকলৰ মংগলৰ বাবে কালি সন্ধিয়া হাজি মুছাফিৰখানাত সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰা হৈছে বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

মণিপুৰ চৰকাৰে ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৫ খন উপত্যকা জিলাত মোবাইল ডাটা সেৱা বন্ধ ৰখাৰ নিৰ্দেশ আজি পৰ্যন্ত বঢ়াই দিছে। ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৫ খন উপত্যকা জিলা পশ্চিম ইম্ফল, পূৱ ইম্ফল, কাকচিং, থৌৱাল আৰু বিষ্ণুপুৰত যোৱা ৭ এপ্ৰিলৰ পৰা এই সেৱা বন্ধ ৰখা হৈছিল। এই বন্ধৰ নিৰ্দেশ অতি সম্প্ৰতি পুনৰ দুদিনলৈ বঢ়াই দিয়া হয়।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত যোৱা ৬ এপ্ৰিলৰ নিশা অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৰে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই ঘটনাত দুটি শিশুৰ মৃত্যু হোৱাৰ লগতে মাতৃগৰাকী গুৰুতৰভাৱে আহত হয়।

ইয়াৰ পাছতে একাংশ প্ৰতিবাদকাৰীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথসমূহ অৱৰোধ কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ গৃহ বিভাগে মণিপুৰত মোবাইল ডাটা আৰু ইণ্টাৰনেট সেৱা সাময়িকভাৱে বন্ধ ঘোষণা কৰে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত **বিহুনামত প্ৰকৃতি আৰু অসমীয়া সমাজৰ স্থান** শীৰ্ষক এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। অসমৰ প্ৰথমগৰাকী বিহু সম্ৰাজ্ঞী তথা গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ ৰূপা ডেকা পাটৰৰ সৈতে হোৱা এই সাক্ষাৎকাৰ গ্ৰহণ কৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা হায়দৰাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত গুজৰাট টাইটানছে কলকাতা নাইট ৰাইডাৰ্ছক ৫ উইকেটত পৰাস্ত কৰে। কলকাতা নাইট ৰাইডাৰ্ছে নিৰ্ধাৰণ কৰি দিয়া ১৮১ ৰানৰ লক্ষ্য গুজৰাট টাইটানছে ১৯ অভাৰ ৪টা বলতে অতিক্ৰম কৰে। শুভমন গিলক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

চলিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত দেলহী কেপিটেলছ আৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে জয়লাভৰ পাছত গুজৰাট টাইটানছৰ এয়া তৃতীয়টো বিজয়। চলিত বৰ্ষৰ প্ৰতিযোগিতাৰ ৫ খন খেলৰ গুজৰাট টাইটানছে ৬ পইণ্ট অৰ্জনেৰে পইণ্ট তালিকাৰ চতুৰ্থ স্থাপন উপনীত হৈছে। তিনিবাৰৰ বিজয়ী কলকাতা নাইট ৰাইডাৰ্ছ বৰ্তমান পইণ্ট তালিকাৰ নিম্ন স্থানত আছে।

প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত অনুষ্ঠিত হ'ব। আনহাতে হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০০

**আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকত সমূহত মহিলাৰ ৩৩ শতাংশ আসন সংৰক্ষণ বিধেয়ক অগ্ৰাহ্য, ৰুণীখটাৰ উত্তপ্ত পৰিস্থিতি, জুবিনৰ গীত বিকৃত ৰূপত উপস্থাপনৰ বাবে বংগৰ**

গায়িকাক ৰাজ্যজুৰি ধিক্কাৰ আদি ভিন ভিন বাতৰিয়ে গুৰুত্ব লাভ কৰিছে। অসমীয়া প্ৰতিদিন কাকতখনে লোকসভাত মোদী চৰকাৰৰ প্ৰচেষ্টাত বিৰোধীয়ে মোক্ষম আঘাত হনাৰ বাতৰি প্ৰধান বাতৰি হিচাবে প্ৰকাশ কৰিছে। এই সন্দৰ্ভত দৈনিক অসম কাকতৰ শিৰোনাম লোকসভাত নস্যাত মহিলা সংৰক্ষণ বিধেয়ক। আমাৰ অসম কাকতে বাতৰিটো বিৰোধীৰ বাধা, আসন বৃদ্ধিৰে মহিলা সংৰক্ষণ বিল অগ্ৰাহ্য শিৰোনামেৰে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে উচ্চতম ন্যায়ালয়ে পৱন খেৰাৰ গ্ৰেপ্তাৰৰ পৰা সুৰক্ষিত কৰাৰ আবেদন নাকচ কৰাৰ বাতৰিক **এছ চি ৰিফিউজেছ টু প্ৰটেক্ট খেৰা ফ্ৰম এৰেষ্ট** শিৰোনামেৰে প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰা এটা বাতৰিৰ শিৰোনাম অসমত নাটনি হোৱা নাই ৰন্ধন গেছ, পেট্ৰল, ডিজেল।

দৈনিক জনমভূমি কাকতে হৰমুজ প্ৰণালী খুলি দিলে ইৰানে বিশ্বৰ স্বস্তিৰ নিশ্বাস শীৰ্ষক এটা বাতৰি অন্যতম গুৰুত্বপূৰ্ণ বাতৰি হিচাপে প্ৰকাশ কৰিছে। বনাঞ্চল বেদখলক লৈ ৰুণীখাতাত বিস্ফোৰক পৰিস্থিতি, বন কাৰ্যালয় আক্ৰমণ-বাহনত জুই-অস্ত্ৰ লুট শিৰোনামৰ বাতৰিটোক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে দৈনিক অগ্ৰদূত কাকতে অগ্নিগৰ্ভ পৰিস্থিতিৰ সৃষ্টি ৰুণীখাতাত শিৰোনামেৰে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**